**ৰণজিৎ কুমাৰ দাস**
**মন্ত্ৰী**
আইন আৰু ন্যায়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন,
খাদ্য, ৰাজহুৱা বিতৰণ আৰু
গ্ৰাহক পৰিক্ৰমা, সাধাৰণ প্ৰশাসন বিভাগ,
অসম চৰকাৰ

सत्यमेव जयते

**Ranjeet Kumar Dass, M.Sc.**
**Minister**
Law and Justice, Panchayat and
Rural Development, Food, Public
Distribution and Consumer Affairs,
General Administration Department,
Government of Assam


## শুভেচ্ছাবাণী

চেন্নাই প্ৰৱাসী অসমীয়াসকলৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান অসম এছ'চিয়েশ্যন, চেন্নাইৰ উদ্যোগত আগন্তুক ৰঙালী বিহু চেন্নাইত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই আনন্দিত হৈছো।

বিহু অসমীয়া জাতিৰ গণজীৱনৰ অবিচ্ছেদ্য অংগ। বিহু অসমীয়া জাতিৰ জাতীয়তা আৰু সংস্কৃতিৰ প্ৰতীক। বিহুৰ মাজেৰে অসমীয়াৰ সমাজ জীৱনৰ প্ৰাণৰ উচ্ছাস, আবেগ-অনুভূতি, আশা-আকাংক্ষা প্ৰতিফলিত হয়। সংস্কৃতিক এটা জাতিৰ জীৱনৰ ধাৰা বুলি কোৱা হয়। বিভিন্ন জাতি-জনগোষ্ঠীৰ সংমিশ্ৰণত গঢ় লৈ উঠা অসমীয়া সংস্কৃতিৰ প্ৰতীক স্বৰূপ বিহু সমন্বয়ৰ উৎসৱ। কৃষিজীৱি মানুহৰ উৰ্বৰা বিশ্বাসৰ ভেঁটিত গঢ়ি উঠা আৰু মহাবিষুৱ সংক্ৰান্তিৰ সময়ত প্ৰকৃতিয়ে নৱৰূপ লোৱা বসন্ত কালত উদ্‌যাপিত ৰঙালী বিহু উৎসৱৰ সমন্বয়ৰ ক্ষেত্ৰ খন অতি বিশাল। ন-সাজেৰে জাতিষ্কাৰ হোৱা প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই আমাৰ জনজীৱনলৈ আনন্দ আৰু সজীৱতা আনে। ধৰিত্ৰীৰ উৰ্বৰতা, কৃষিৰ প্ৰাচুৰ্যতা কামনা কৰাৰ লগতে আমি অসমীয়াই নতুন বছৰক ব'হাগ বা ৰঙালী বিহু উদ্‌যাপনেৰে আদৰোঁ। বিহুয়ে অসমীয়াৰ জাতীয়তা, স্বকীয়তাৰ মহত্বক চিৰ-উজ্জ্বল কৰি তুলিছে। অসমীয়াৰ প্ৰাণৰ উৎসৱ বিহুয়ে আমাৰ জাতীয় সংহতিৰ ভেঁটি সুদৃঢ় কৰি ৰাখিছে।

আশাকৰোঁ, চেন্নাইৰ অসম এছ'চিয়েশ্যনৰ উদ্যোগত আয়োজিত ৰঙালী বিহু উদ্‌যাপনৰ ৰং-আনন্দই আমাৰ সমাজৰ ঐক্য-সংহতি, সমন্বয়ৰ বান্ধোনক অধিক সুদৃঢ় কৰি তুলিব আৰু সকলোকে সমাজৰ কল্যাণৰ হ'কে কাম কৰিবলৈ অনুপ্ৰাণিত কৰিব। এছ'চিয়েশ্যনৰ উদ্যোগত 'কাজিৰঙা' নামেৰে বাৰ্ষিক আলোচনী এখন প্ৰকাশৰ বাবে লোৱা প্ৰচেষ্টাৰ মই শলাগ লৈছো। আশাকৰোঁ, এই আলোচনীৰ জৰিয়তে চেন্নাইৰ প্ৰৱাসী অসমীয়াসকলে ভাষা-সাহিত্যৰ চৰ্চাৰ সুযোগ পাব আৰু চিৰ চেনেহী ভাষা জননীৰ সেৱাত নিষ্ঠাৰে ব্ৰতী হোৱাৰ অনুপ্ৰেৰণা লাভ কৰিব। ৰঙালী বিহু আৰু অসমীয়া নতুন বছৰ উপলক্ষে মই চেন্নাইবাসী অসমীয়া ৰাইজলৈ সেৱা জনাই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। আশাকৰোঁ, নতুন বছৰটোৱে সকলোৰে বাবে সুখ-শান্তি, আনন্দ আৰু সমৃদ্ধি কঢ়িয়াই আনিব ।

ৰঙালী বিহু উদ্‌যাপনৰ সকলো কাৰ্যসূচীৰে সম্পূৰ্ণ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া 'কাজিৰঙা' নামৰ বাৰ্ষিক আলোচনী খন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পাব বুলি আশা কৰিলো।

(ৰণজিৎ কুমাৰ দাস)